জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

নং ঃ ৭৬/২০২০

# বিশিষ্ট চলচ্চিত্ৰ প্ৰযোজক প্ৰাঞ্জল কুমাৰ ভৰালীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৮ ফেব্ৰুৱাৰী ঃ** বিশিষ্ট চলচ্চিত্ৰ প্ৰযোজক প্ৰাঞ্জল কুমাৰ ভৰালীৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত চলচ্চিত্ৰ প্ৰযোজক গৰাকীয়ে অসমীয়া চিনেমা জগতলৈ যি অৱদান আগবঢ়াই গৈছে সেয়া ৰাজ্যখনৰ সংস্কৃতিপ্ৰেমী জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। জনপ্ৰিয় চলচ্চিত্ৰ প্ৰযোজনাৰে তেখেতে অসমীয়া চলচ্চিত্ৰৰ জৰিয়তে জনসাধাৰণক বিশেষ আমোদ প্ৰদানৰ যাত্ৰা আৰম্ভ কৰিছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেখেতৰ মৃত্যু আমাৰ সমাজ তথা সাংস্কৃতিক জীৱনৰ বাবে অপূৰণীয় ক্ষতি।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত প্ৰাঞ্জল কুমাৰ ভৰালীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

বঃভাঃ / পুঃডেঃ
১৮/০২/২০২০